**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-05-2025
**Time :** 1205 Hrs

***Assamese Morning Bulletin***

--------------------

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ আমিনগাঁৱত নিৰ্মীয়মান আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰি ইয়াৰ অগ্ৰগতিৰ বুজ লয়। ৩৮০ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰি থকা এই ষ্টেডিয়ামখনলৈ যোৱাৰ বাবে আই আই টিৰ দিশেৰে নতুন পথ নিৰ্মাণ আৰু পাৰ্কিঙৰ কাৰণে পৰ্যাপ্ত ব্যৱস্থা কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰক নিৰ্দেশ দিয়ে। এই ষ্টেডিয়ামখন সম্পূৰ্ণ হ'লে প্ৰায় ২০ হাজাৰ দৰ্শকে একেলগে খেল উপভোগ কৰিব পাৰিব বুলি ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ কয়, যে ষ্টেডিয়ামখনত আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ৰ ক্ৰিকেট খেল অনুষ্ঠিত কৰাৰ উপৰি খেলুৱৈৰ প্ৰশিক্ষণৰ বাবেও বিশেষ সুবিধা থাকিব। ২০২৬ চনৰ মাৰ্চত ষ্টেডিয়ামখন মুকলি কৰিব পৰা যাব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই আশা প্ৰকাশ কৰে।

০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজি প্ৰধানমন্ত্ৰী আবাস যোজনা, গ্ৰামীণৰ অধীনত ৫৫ হাজাৰ হিতাধিকাৰীৰ গৃহ প্ৰৱেশ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানতে লখিমী মিস্ত্ৰী শুভাৰম্ভ কৰাৰ উপৰি অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান আৰু কৃষি বিভাগৰ কেইবাটাও কাৰ্যসূচী অনুষ্ঠিত হ'ব। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ ল'ব। অনুষ্ঠানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা বিশিষ্ট অতিথি হিচাপে উপস্থিত থকাৰ লগতে কৃষি মন্ত্ৰী অতুল বৰা তথা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস উপস্থিত থাকিব।

০০০০০০

অসম সম্প্ৰতি দেশৰ এখন অগ্ৰনি ৰাজ্য হিচাপে উদ্ভাসিত হৈছে বুলি কেন্দ্ৰীয় যোগাযোগ আৰু উত্তৰ-পূব উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই প্ৰকাশ কৰিছে। গুৱাহাটীৰ কইনাধৰাৰ অতিথিশালাত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত অসমত ড'নাৰ মন্ত্ৰ্যালয়ৰ উন্নয়নমূলক কাম-কাজৰ খতিয়ান লৈ কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে এইদৰে কয়। ৰাজ্যখনৰ বিকাশৰ দিশত ড'নাৰ মন্ত্ৰ্যালয়ে সক্ৰিয়ভাৱে সহযোগিতা আগবঢ়োৱাৰ কথা উল্লেখ কৰি শ্ৰী সিন্ধিয়াই এই বিকাশৰ গতি ত্বৰান্বিত কৰাৰ বাবে তেওঁৰ মন্ত্ৰ্যালয়ে সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়াই যাব বুলি মন্তব্য কৰে। বৈঠকত অংশ লৈ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কয়, যে বিভিন্ন খণ্ডত লাভ কৰা অগ্ৰগতিৰে অসমে সম্প্ৰতি দেশৰ উন্নত ৰাজ্যসমূহৰ লগত সমানে ফেৰ মাৰিবলৈ সমৰ্থ হৈছে। ড'নাৰ মন্ত্ৰ্যালয়ৰ দ্বাৰা বিভিন্ন প্ৰকল্পৰ বাবে আৱণ্টিত পুঁজিৰ সকলো ধন জনসাধাৰণ উপকৃত হ'ব পৰাকৈ ব্যয় কৰা হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

পৰ্যালোচনা বৈঠকত আন্তঃগাঁথনি, শক্তি আৰু সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত অধিক বিনিয়োগৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলত যোগান ব্যৱস্থা সু-শৃংখলিত কৰাৰ ৰূপৰেখা সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

০০০০০০

ডিব্ৰুগড় চহৰৰ মাজমজিয়াত থকা চৌকিদিঙি খেলপথাৰত চলি থকা উন্নীতকৰণৰ কাম তথা ক্ৰীড়া আন্তঃগাঁথনি নিৰ্মাণৰ পৰিপ্ৰেক্ষিতত পৰৱৰ্ত্তী তিনি মাহলৈ খেলপথাৰখনত সকলো ধৰণৰ অনুষ্ঠান, মেলা আদিৰ উপৰি যিকোনো ৰাজহুৱা বা ব্যক্তিগত সমাবেশ নিষিদ্ধ কৰা হৈছে। পৰৱৰ্ত্তী নিৰ্দেশ নিদিয়া পৰ্যন্ত এই নিষেধাজ্ঞা বাহাল থাকিব বুলি জিলা প্ৰশাসনে জাৰি কৰা নিৰ্দেশনাত প্ৰকাশ কৰা হৈছে।

০০০০০০

এসপ্তাহৰ বিৰতিৰ পাছত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ খেলসমূহ আজিৰেপৰা পুনৰ অনুষ্ঠিত হ'ব। আজি চেন্নাইৰ এম চিন্নস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰু, কলকাতা নাইট ৰাইডাৰ্ছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

ইয়াৰ পূৰ্বে ভাৰত আৰু পাকিস্তানৰ মাজৰ বৰ্ধিত উত্তেজনাৰ পৰিপ্ৰেক্ষিতত যোৱা ৯ মে'ত আই পি এলৰ বাকী থকা খেলসমূহ সাময়িকভাৱে স্থগিত ৰখাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল। বি চি চি আয়ে তেতিয়াই এটা নতুন নিৰ্দেশনাৰ জৰিয়তে ম'হালি আৰু ধৰমশালাত এই প্ৰতিযোগিতাৰ পৰৱৰ্তী কোনো খেল অনুষ্ঠিত নহয় বুলি প্ৰকাশ কৰিছিল। যোৱা ৮ মে'ত খেল চলি থকা অৱস্থাত স্থগিত হোৱা পঞ্জাৱ কিংছ আৰু ডেলহি কেপিটেলছৰ মাজৰ খেলখন ২৪ মে'ত জয়পুৰত অনুষ্ঠিত হ'ব। আনহাতে ২৫ মে'ত হ'বলগীয়া ফাইনেল খেলখন ৩ জুনত অনুষ্ঠিত হ'ব। ফাইনেল খেলৰ স্থান পৰৱৰ্তী সময়ত ঘোষণা কৰা হ'ব।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত অৱসৰপ্ৰাপ্ত ব্ৰিগেডিয়াৰ পলাশ চৌধুৰী আৰু অৱসৰপ্ৰাপ্ত কৰ্নেল দীপক চক্ৰৱৰ্তীৰ সৈতে অপাৰেচন সিন্দূৰ আৰু ভাৰতীয় সেনাবাহিনীৰ পৰাক্ৰমৰ বিষয়ে এটা বাৰ্তালাপ প্ৰচাৰ কৰিব। কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটৰ সংবাদ চলন্তিকাতো কেইবাগৰাকীও বীৰ যোদ্ধাৰ অভিমত প্ৰচাৰ কৰা হ'ব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা, উপস্থাপন আৰু প্ৰযোজনা ৰাজীৱ লোচন বৰঠাকুৰৰ।

০০০০০০

ভাৰতৰ তাৰকা জেভলিন খেলুৱৈ নীৰজ চোপ্ৰাই দোহাত অনুষ্ঠিত ডায়মণ্ড লীগৰ পুৰুষৰ জেভলিন থ্ৰ' প্ৰতিযোগিতাত দ্বিতীয় স্থান লাভ কৰিছে। নীৰজে ৯০ দশমিক ২-৩ মিটাৰ দূৰত্বলৈ যাঠি দলিয়াই অভিলেখ কৰে যদিও ৯১ দশমিক ৬ মিটাৰেৰে দৰ্শকক অভিভূত কৰা জাৰ্মানীৰ জুলিয়ান ৱেবাৰক অতিক্ৰম কৰিবলৈ অসমৰ্থ হয়। ইয়াৰ পূৰ্বে অলিম্পিক পদক বিজেতা খেলুৱৈগৰাকীয়ে প্ৰতিযোগিতাৰ তৃতীয় ৰাউণ্ডত ৯০ দশমিক ২-৩ মিটাৰ দূৰত্বলৈ যাঠি দলিয়াই তেওঁৰ কেৰিয়াৰৰ পূৰ্বৰ অভিলেখ ভংগ কৰে। ইপিনে, ভাৰতৰ পাৰুল চৌধুৰীয়ে মহিলাৰ ৩ হাজাৰ মিটাৰ ষ্টেপ্‌লচেজ প্ৰতিযোগিতাত ষষ্ঠ স্থানত থাকে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দোহা ডায়মণ্ড লীগত এই প্ৰদৰ্শনৰ বাবে নীৰজ চোপ্ৰাক অভিনন্দন জনায়।

০০০০০০

সমাপ্ত